# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
**:::::::::::::::::::::::::::::::**

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এ ৰাজ্যখনৰ বিভিন্ন স্থানত আই ই ডি সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ মূল অভিযুক্তজনক আজি গ্ৰেপ্তাৰ কৰিছে। গিৰীশ বৰুৱা ওৰফে গৌতম বৰুৱা নামৰ এই লোকজনক বেংগালুৰুৰ উপকণ্ঠ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। চলিত বছৰৰ স্বাধীনতা দিৱস উদযাপনৰ প্ৰতিবাদ জনাই উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ৰাজ্যজুৰি বিভিন্ন স্থানত এনে ধৰণৰ বিস্ফোৰক সামগ্ৰী সংস্থাপন কৰা ঘটনাৰ গোচৰত এই লোকজনক গ্ৰেপ্তাৰ কৰা হয়। লোকজনক কালি বেংগালুৰুৰ এন আই এ আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে গুৱাহাটীৰ এন আই এৰ বিশেষ আদালতত হাজিৰ কৰোৱাৰ বাবে নিৰ্দেশ দিয়া হৈছে। এই সন্দৰ্ভত তদন্ত অব্যাহত আছে।

oooooooo

ৰাজ্যখনৰ এখন বিদ্যালয়ত অলপতে এজন ছাত্ৰক একেখন বিদ্যালয়ৰ ছাত্ৰই আক্ৰমণ কৰি হত্যা কৰা বুলি উঠা অভিযোগৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ বিভিন্ন চৰকাৰী, প্ৰাদেশীকিকৃত অথবা ব্যক্তিগত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ নিয়া বেগসমূহ তালাচী চলাবলৈ নিৰ্দেশ দিয়া হৈছে। পাঠদান আৰম্ভ হোৱাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ বেগসমূহ পৰীক্ষা কৰি তাত চোকা অস্ত্ৰ-শস্ত্ৰ, মাদকদ্ৰব্য, গুটখা, ধঁপাত, চিগাৰেট আদি সামগ্ৰী জব্দ হোৱা মাত্ৰেই ব্যৱস্থা ল'বলৈ কোৱা হৈছে। এনে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকক ততালিকে অৱগত কৰাৰ উপৰি কামৰূপ মহানগৰ জিলাৰ সৰ্বশিক্ষা অভিযানৰ জিলা মিছন সমন্বয়কক অৱগত কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশ সকলো বিদ্যালয়কে কঠোৰভাৱে মানি চলিবলৈ কোৱা হৈছে।

oooooooo

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে সমগ্ৰ ৰাষ্ট্ৰজুৰি ৯ কোটি লাখৰো অধিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুষ্টিহীনতা ৰোধ কৰা আৰু সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে এই বাৰ্ষিক অভিযানৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে এক কোটি ৮৮ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে শিশুৰ বিকাশ নিৰীক্ষণৰ লক্ষ্যৰে এক কোটি ৬৮ লাখ আৰু পৰিপূৰক মাতৃ দুগ্ধপানক লৈ এক কোটি ৪৫ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইপিনে এই অভিযানৰ **পোষণ ভী পঢ়াই ভী** অৰ্থাৎ পুষ্টিৰ লগতে অধ্যয়ন কাৰ্যসূচীৰ অধীনত এক কোটি ৫৯ লাখ কাৰ্যসূচী অনুষ্ঠিত হয়। অন্যান্য কাৰ্যসূচী যেনে জন সজাগতা, পৰিৱেশ সুৰক্ষাকে ধৰি বিভিন্ন বিষয়টো জনসাধাৰণক সচেতন কৰি তুলিবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানৰ অধীনত কাৰ্য ৰূপায়ণত মহাৰাষ্ট্ৰ, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, গুজৰাট আৰু অন্ধ্ৰপ্ৰদেশ শীৰ্ষ স্থানত আছে।

০০০০০০০০

অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, আফস্পাৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এখন জাননীত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে অৰুণাচল প্ৰদেশৰ তিনিখন আৰু নাগালেণ্ডৰ ৮খন জিলাকে ধৰি অঞ্চল বিশেষত এই ব্যৱস্থা কাৰ্যকৰী হ'ব। জাননীখনত প্ৰকাশ পোৱা মতে অৰুণাচল প্ৰদেশৰ টিৰাপ, চাংলাং আৰু লংডিং জিলা তিনিখনে সামৰি লোৱা অঞ্চলসমূহৰ লগতে নামছাই জিলাৰ অন্তৰ্গত মহাদেৱপুৰ আৰু চৌখাম থানাৰ অন্তৰ্গত এলেকাসমূহক অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰি আফস্পা প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে।

আনহাতে, নাগালেণ্ডৰ ৮ খন জিলাই সামৰি লোৱা সমগ্ৰ অঞ্চলৰ লগতে আন ছখন জিলাৰ অংশ বিশেষত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। এই আইন সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'বলগীয়া জিলাকেইখন হ'ল- ডিমাপুৰ, নিউলেণ্ড, চুম'কেডিমা, মন, কিফিৰে, নক্লাক, ফেক আৰু পেৰেন।

০০০০০০০০

২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান মুকলিৰ দিন সলনি কৰা হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা জানিব পৰা গৈছে। ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও বিভাগীয় কৰ্তৃপক্ষই কাইলৈৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে এক জাননীযোগে এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে কাইলৈ ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত বিশ্ব পৰ্যটন দিৱস উদযাপন কৰাৰ বাবে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। অৰ্থাৎ বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে কাইলৈ পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰা হ'ব। ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা পৰ্যটন দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। লগতে একেটা অনুষ্ঠানতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথাও আছে।

০০০০০০০০

গুৱাহাটীত চলি থকা আৰ ই চি ৰাষ্ট্ৰীয় মুকলি প্ৰতিভা সন্ধানী বক্সিং প্ৰতিযোগিতাৰ জুনিয়ৰ আৰু ছাব জুনিয়ৰৰ বিভিন্ন ওজন শাখাত অসমৰ ২১ গৰাকী খেলুৱৈয়ে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। পল্টনবজাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ইনড'ৰ ষ্টেডিয়ামত চলি থকা এই প্ৰতিযোগিতাৰ এলীট আৰু যুৱ শাখাৰ খেলসমূহ ইতিমধ্যে অনুষ্ঠিত হৈছে। অসমে এই দুটা শাখাৰ বিভিন্ন ওজন শিতানত ১৬টা পদক লাভ কৰিছে। অহা ৩০ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা

ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

oooooooo

**সমাপ্ত**